# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক তাং- ২৯/০৮/২০১৮

## কাৰ্য্যবিৱৰণী

আজি ইং ২৯/৮/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । মূখ্য ন্যায়িক দণ্ডাধীশৰ ভাষণেৰে আৰম্ভ হোৱা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপষ্ঠিত থাকে । তেওঁৰ বক্তব্যত কৰ্মচাৰীসকলৰ অসুবিধাসমূহৰ লগতে সুপৰামৰ্শ আগবঢ়াবলৈ জনায় ।

বৈঠকৰ আৰম্ভণিতে অৱসৰ গ্ৰহণ কৰিব লগীয়া কাৰ্য্যালয়ৰ কৰ্মচাৰী শ্ৰী লক্ষীনাথ শইকীয়াই তেওঁৰ কৰ্মজীৱনৰ অভিজ্ঞতা আৰু ভৱিষ্যতৰ পৰিকল্পনা জনায় । লগতে Record Room ত যিহেতু খিৰিকিৰ সুব্যৱস্থা নাই গতিকে তাৰ উপযুক্ত সুবিধাৰ বাবে পৰামৰ্শ আগবঢ়ায় ।

ইয়াৰ পাছত issue বিভাগৰ সহায়কে জনায় যে, ৪:৩০ বজাৰ পাছত ডাক দিব লগা থাকিলে দিবলৈ পিয়ন নাথাকে আৰু PSI কাৰ্য্যালয় সোনকালে বন্ধ হয় বুলি অভিযোগ কৰে । সমাধানত মূখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে তেওঁৰ ওচৰত put-up কৰিবলৈ পৰামৰ্শ কৰে ।

GR বিভাগৰ সহায়কে যিহেতু তেওঁ উক্ত বিভাগত নতুন গতিকে প্ৰয়োজনীয় কাম সমূহ মূখ্য সহায়ক, চন্দ্ৰ শইকীয়া আৰু মনোজ সোনোৱালৰ সহায় সহযোগত শিকাৰ লগতে কৰি গৈছে বুলি উল্লেখ কৰে । লগতে GR বিভাগত ব্যস্ত থাকিব লগা হেতুকে প্ৰতিলিপি বিভাগ আৰু CIS ৰ কাম কৰিবলৈ সময়ৰ বাবে কিছু অসুবিধাৰ সন্মূখীন হৈছে বুলি জনায় ।মহোদয়ে তেওঁক জামিনৰ সম্পৰ্কে থকা circular চাবলৈ জনায় আৰু ভূক্তভোগীৰ জবানবন্দী সমূহৰ কোনবোৰ বন্ধখামত থাকিব লাগে তাৰ সবিশেষ জ্ঞাত হ'বলৈ নিৰ্দেশ কৰে ।

বেঞ্চ সহায়ক সকলক Monthly statement সময়মতে জমা দিবলৈ নিৰ্দেশ কৰে । প্ৰথম শ্ৰেনীৰ ন্যায়িক দণ্ডাধীশ আদালতত বিচাৰি নোপোৱা গোচৰৰ ক্ষেত্ৰত আলোচনা হয় ।

Police Case Diary ৰ এটাকৈ প্ৰতিলিপি কৰিবলৈ নিৰ্দেশ কৰে । যি নিৰ্দিষ্ট গোচৰৰ দুটাকৈ প্ৰতিলিপি প্ৰয়োজন আদালতে তাৰ উপযুক্ত ব্যৱস্থা কৰিব লাগিব বুলি জনায় ।

আগষ্ট মাহত বিভাগীয় প্ৰশিক্ষণলৈ যোৱা সকলক প্ৰশিক্ষণৰ খতিয়ান নজনোৱা সম্প্ৰকে প্ৰশ্ন কৰে । উত্তৰত হিৰেণ চিৰিঙে জনায় যে প্ৰশিক্ষণত যিহেতু CIS ৰ সম্পৰ্কে কাৰ্য্যালয় কৰ্মচাৰীসকল প্ৰশিক্ষণ প্ৰাপ্ত আৰু তেওঁলোকে CIS ৰ কামসমূহ সুচাৰুৰূপে কৰি আছে ।

মূখ্য সহায়কে মন্তব্য কৰে, যিহেতু ১৫ চেপ্টেম্বৰত কাৰ্য্যালয়ত Audit হ'ব গতিকে তাৰ আগতে বেঞ্চ সহায়ক সকলক Fine Register সমূহ জমা দিবলৈ জনায় আৰু Audit ৰ বাবে সকলোকে সাজু হ'বলৈ জনায়।

ইয়াৰ পাছতে farewell ৰ যা-যোগাৰ সম্পৰ্কে আলোচনা হয় আৰু জলযোগেৰে সভা ভংগ হয় ।

মূখ্য ন্যায়িক দণ্ডাধীশ
(ৰূপক ৰজক)

Rehman

| | | |
|---|---|---|
| অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ (অনুপ থানাল) | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ (মনিকা মিচং) | ১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ (নাজৰানা পাৰবিন ৰেহমান) |